# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date : 28-09-2025**
**Time : 1205 Hrs**

## ***Assamese Mid-day Bulletin***

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমীয়াৰ হিয়াৰ আমঠু শিল্পী জুবিন গাৰ্গৰ অকাল বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ শ্ৰোতাৰ সৈতে নিজৰ মনৰ ভাব ব্যক্ত কৰি প্ৰধানমন্ত্ৰীয়ে শিল্পীগৰাকীৰ সংগীতে ভৱিষ্যৎ প্ৰজন্ম সদায়েই আলোড়িত কৰি থাকিব বুলি মন্তব্য কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে এই উৎসৱৰ বতৰ স্বদেশী সামগ্ৰী ব্যৱহাৰৰ লগতে ভোকেল ফ'ৰ লোকেল অৰ্থাৎ থলুৱা সামগ্ৰী ব্যৱহাৰৰ নীতি মানি চলিবলৈ আহ্বান জনায়। জি এছ টি সঞ্চয় উৎসৱৰ সময়তে বিভিন্ন উৎসৱসমূহ দেশবাসীয়ে উদযাপন কৰিব বুলিও তেওঁ উল্লেখ কৰে। তেওঁ দেশতে উৎপাদিত সামগ্ৰী ক্ৰয় কৰাৰ বাবে প্ৰতিজ্ঞাবদ্ধ হ'বলৈ সকলোকে আহ্বান জনায়। প্ৰধানমন্ত্ৰীয়ে লগতে এই উৎসৱৰ বতৰত সকলোকে পৰিষ্কাৰ পৰিচ্ছন্নতা বজাই ৰাখিবলৈ আহ্বান জনায়।

০০০০০০০

ৰাজ্যত খালী হৈ থকা ভালেসংখ্যক শিক্ষক, স্বাস্থ্য বিভাগৰ কাৰিকৰী, অ-কাৰিকাৰী পদকে ধৰি বিভিন্ন পদৰ বাবে অনুষ্ঠিত পৰীক্ষাৰ ফলাফল অহা অক্টোবৰৰ ভিতৰত ঘোষণা কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰীয়ে কৰা ঘোষণা অনুসৰি অহা ৯ অক্টোবৰৰ ভিতৰত চৰকাৰে এই পদসমূহত নিযুক্তি দিয়াৰ বাবে সিদ্ধান্ত লৈছিল যদিও ৰাজ্যৰ শেহতীয়া পৰিস্থিতি আৰু উচ্চ ন্যায়ালয়ৰ হস্তক্ষেপৰ বাবে নিযুক্তি প্ৰক্ৰিয়া পিছুৱাই দিবলগীয়া হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা মতে এ ডি আৰ ইৰ তৃতীয় বৰ্গৰ পৰীক্ষাৰ ফলাফল ১০ অক্টোবৰত আৰু চতুৰ্থ বৰ্গৰ ফলাফল ১৫ অক্টোবৰত ঘোষণা কৰা হ'ব। স্বাস্থ্য বিভাগৰ কাৰিকৰী, অ-কাৰিকাৰী পদসমূহৰ বাবে অনুষ্ঠিত পৰীক্ষাৰ ফলাফল ১২ অক্টোবৰৰ পূৰ্বে ঘোষণা কৰাৰ লগতে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক পদৰ বাবে অনুষ্ঠিত পৰীক্ষাৰ ফলাফল ১৫ৰ পৰা ২০ অক্টোবৰৰ ভিতৰত ঘোষণা কৰা হ'ব। স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক পদৰ বাবে অনুষ্ঠিত পৰীক্ষাৰ ফলাফল ১৫ অক্টোবৰত ঘোষণা কৰা হ'ব। অগ্নিনিৰ্বাপক সংস্থাৰ বিভিন্ন পদৰ বাবে অনুষ্ঠিত পৰীক্ষাৰ ফলাফল অক্টোবৰৰ ভিতৰতে দিয়া হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছে।

০০০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি পশ্চিম কাৰ্বি আংলঙত  এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰিছে। জিলাখনৰ ৰংখাং বিধানসভা সমষ্টিৰ অন্তৰ্গত দংকামোকামস্থিত ৰাইছং ষ্টেডিয়ামত আয়োজিত এই সভাত মুখ্যমন্ত্ৰীয়ে মহিলা উদ্যমিতা অভিযানৰ অধীনত প্ৰায় ১৯ হাজাৰ গৰাকী মহিলাক ১০ হেজাৰ টকাকৈ চেক বিতৰণ কৰিব। ইয়াৰ পাছত তেওঁ হামৰেনস্থিত ১০০ খন বিচনাযুক্ত হামৰেন জিলা চিকিৎসালয়খন উদ্বোধন কৰিব।

০০০০০০০

শাৰদীয় দুৰ্গা পূজাৰ আজি ষষ্ঠীত দেৱী দুৰ্গাৰ প্ৰাণ প্ৰতিষ্ঠাৰ লগে লগে এই বছৰৰ শাৰদীয় দুৰ্গোৎসৱ আৰম্ভ হ'ব। এইবাৰ দেৱী দুৰ্গাৰ হস্তীত আগমন ঘটিছে আৰু দোলাত গমন হ'ব বুলি বিশ্বাস কৰা হৈছে। অৱশ্যে অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ আকস্মিক বিয়োগৰ পৰিপ্ৰেক্ষিতত এইবাৰ ৰাজ্যবাসীৰ শাৰদীয় পূজাৰ উৎসাহ স্তিমিত হৈ আছে।

**গুৱাহাটী** মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত দুৰ্গতিনাশিনী দেৱী দুৰ্গাৰ উপাসনাৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ হৈছে। চি চি টি ভি কেমেৰা সংস্থাপন, স্বেচ্ছাসেৱক নিয়োগ, পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰখাকে ধৰি পূজা সমিতিসমূহলৈ কেইবাটাও নিৰ্দেশনা জাৰি কৰা হৈছে। ৰাজ্যৰ আন জিলাসমূহতো দুৰ্গা পূজা উদযাপন কৰিবলৈ লোৱাৰ বাতৰি আমালৈ আহিছে।

০০০০০০০

বি টি চি নিৰ্বাচনত একক সংখ্যাগৰিষ্ঠতা লাভ কৰাৰ পাছত বি পি এফ দলৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে আজি ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যক সাক্ষাৎ কৰে। সাংবিধানিক নিয়ম অনুসৰি মহিলাৰীয়ে একক সংখ্যাগৰিষ্ঠ দল হিচাপে বি পি এফৰ নেতৃত্বত বি টি চি চৰকাৰ গঠনৰ বাবে ৰাজ্যপালক দাবী জনায়। একেদৰে ইউ পি পি এল দলৰ মুৰব্বী প্ৰমোদ বড়োৱে ৰাজ্যপালক সাক্ষাৎ কৰি পদত্যাগ পত্ৰ দাখিল কৰে।

উল্লেখযোগ্য যে, বড়োলেণ্ডৰ ৫ খন জিলাৰ ৪০টা পৰিষদীয় সমষ্টিৰ নিৰ্বাচনত বি পি এফ দলে ২৮ খন আসন দখলেৰে একক সংখ্যাগৰিষ্ঠ দল হিচাপে নিৰ্বাচিত হৈছে। এই নিৰ্বাচনত প্ৰমোদ বড়ো নেতৃত্বাধীন ইউ পি পি এল দলে মাত্ৰ ৭ খন আসনহে লাভ কৰিবলৈ সক্ষম হয়। শাসনাধিষ্ঠ বিজেপি দলেও  কেৱল ৫ খন আসনহে লাভ কৰে।

০০০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ মূল অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক জনতাৰ ধৈৰ্যৰ সৈতে নেখেলিবলৈ মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই আহ্বান জনাইছে। মুখ্যমন্ত্ৰীয়ে এই ঘটনা সন্দৰ্ভত অভিযোগ উঠা শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক ৬ অক্টোবৰৰ ভিতৰত অসমত উপস্থিত হ'বলৈ নিৰ্দেশ দিয়ে। এই ঘটনাৰ ন্যায় বিচাৰ নোহোৱালৈ অসম চৰকাৰ ক্ষান্ত নহয় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ৰাইজক আইন হাতত তুলি নলবলৈ অনুৰোধ জনায়। তদুপৰি উৰাবাতৰিত পতিয়ন নাযাবলৈ মুখ্যমন্ত্ৰীয়ে সকলোকে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে এই ঘটনাৰ নিৰপেক্ষ তদন্তৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ত এজন ন্যায়াধীশৰ নেতৃত্বত এখন ন্যায়িক সমিতি গঠন কৰাৰ বাবে উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশলৈ পত্ৰ প্ৰেৰণ কৰিছে বুলি জানিবলৈ দিয়ে।

০০০০০০০

**সমাপ্ত**